**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সাংসদ সুপ্ৰিয়া সুলে নেতৃত্বাধীন প্ৰতিনিধি দলটোৱে আফ্ৰিকাৰ কেইবাখনো দেশত অপাৰেচন সিন্দূৰ সন্দৰ্ভত ভাৰতৰ স্থিতি সবলভাৱে দাঙি ধৰিছে।

২। তেলেংগানাই আজি ইয়াৰ একাদশ প্ৰতিষ্ঠা দিৱস পালন কৰিছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে এই উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। ভাৰতত তিনিদিনীয়া ভ্ৰমণসূচীৰে পেৰাগুৱেৰ ৰাষ্ট্ৰপতি ছান্টিয়াগ' পেনা পালাছিঅ'ছ আজি নতুন দিল্লীত উপস্থিত হৈছে।

৪। ছিকিম চৰকাৰে ৫ বছৰৰ বিৰতিৰ অন্তত ভগৱান শিৱৰ পবিত্ৰ তীৰ্থস্থান কৈলাশ মানসৰোবৰ যাত্ৰাৰ আয়োজন কৰিবলৈ সাজু হৈছে।

আৰু

৫। চতুৰ্থ থাইলেণ্ড অ'পেন আন্তঃৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাত ভাৰতে দুটা সোণৰ পদক লাভ কৰিছে।

ooooooo

অপাৰেচন সিন্দূৰ সন্দৰ্ভত ভাৰতৰ সপক্ষে বিশ্ব সম্প্ৰদায়ৰ সহমত বিচৰাৰ অংশ হিচাপে সংসদ সদস্যৰে গঠিত সাতটা সৰ্বদলীয় প্ৰতিনিধি দলে বিশ্বৰ বিভিন্ন দেশ ভ্ৰমণ কৰিছে। প্ৰতিনিধি দলসমূহে সকলোধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। এনচিপি-এছচিপিৰ সাংসদ সুপ্ৰিয়া চুলেৰ নেতৃত্বত যোৱা সৰ্বদলীয় প্ৰতিনিধি দলটো ইজিপ্তত উপস্থিত হোৱাৰ লগতে কালি দলটোৱে ইথিওপিয়া ভ্ৰমণৰ সামৰণি মাৰে।

জেডিইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাৰ নেতৃত্বত আন এটা সৰ্বদলীয় প্ৰতিনিধি দলে মালয়েছিয়াৰ ৰাষ্ট্ৰীয় ঐক্যৰ উপ-মন্ত্ৰী কেয়াদিলান ৰকিয়াতৰ নেতৃত্বত পিপলছ জাষ্টিছ পাৰ্টিৰ প্ৰতিনিধি সকলৰ সৈতে সাক্ষাৎ কৰে।

ইয়াৰ পূৰ্বে শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত সৰ্বদলীয় প্ৰতিনিধি দলটোৱে লাইবেৰিয়াত ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰে। এই আদান-প্ৰদানৰ সময়ত প্ৰতিনিধি দলটোৱে ভাৰতৰ ঐক্যবদ্ধ জাতীয় আবেগ আৰু সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ সামূহিক ৰাজনৈতিক ইচ্ছাশক্তি আৰু এই প্ৰচেষ্টাত আন্তঃৰাষ্ট্ৰীয় সমাজৰ পৰা লাভ কৰা সমৰ্থনৰ কথা প্ৰকাশ কৰে।

বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদৰ নেতৃত্বত আন এটা সৰ্বদলীয় প্ৰতিনিধি দলে ব্ৰিটেইনৰ বিৰোধী নেতা প্ৰীতি পেটেল আৰু তেওঁৰ দলৰ সদস্যসকলক কৰি সীমা অতিক্ৰম কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ভাৰতৰ দৃঢ় সংকল্পৰ কথা উল্লেখ কৰে।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত প্ৰতিনিধি দলটোৱে যোৱা নিশা আলজেৰিয়াৰ সংসদত বৈদেশিক পৰিক্ৰমা, সহযোগিতা আৰু ৰাষ্ট্ৰীয় সম্প্ৰদায় এব'ৰ্ড সমিতিৰ অধ্যক্ষ মহম্মদ খোয়ানেৰ সৈতে সাক্ষাৎ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে শক্তিশালী আৰু দৃঢ় পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰে।

কংগ্ৰেছৰ সাংসদ শশী থাৰুৰৰ নেতৃত্বত থকা প্ৰতিনিধি দলটো বৰ্তমান ব্ৰাজিলত আছে আৰু কাইলৈ আমেৰিকালৈ ৰাওনা হ'ব।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে

তেলেংগানাই চহকী সাংস্কৃতিক ঐতিহ্যৰ লগতে অৰ্থনৈতিক আৰু প্ৰযুক্তিগত বিকাশেৰে এটা গতিশীল আধুনিক পৰিৱেশতন্ত্ৰৰ সৃষ্টি কৰিছে। প্ৰগতি আৰু সমৃদ্ধিৰ যাত্ৰাত আগবাঢ়ি অহা তেলেংগানাৰ জনসাধাৰণৰ প্ৰতি শ্ৰীমতী মুৰ্মুৱে অভিবাদন জ্ঞাপন কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে তেলেংগানা ৰাজ্যখন ইয়াৰ সাংস্কৃতিক পৰিচয় আৰু বিভিন্ন ক্ষেত্ৰত লাভ কৰা প্ৰগতিৰ লগতে উন্নয়ন আৰু জন কল্যাণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে পৰিচিত হৈ পৰিছে। অনাগত সময়ত ৰাজ্যখনে প্ৰগতিৰ উচ্চ শিখৰ লাভ কৰিব বুলিও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে তেলেংগানা ৰাজ্যখন ৰাষ্ট্ৰৰ প্ৰগতিত আগবঢ়োৱাৰ অনবদ্য অৱদানৰ বাবে জনাজাত। তেওঁ লগতে কয়, যে যোৱা দশকত চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰি তুলিবলৈ বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰিছে। তেওঁ ৰাজ্যখনৰ জনসাধাৰণৰ সফলতা আৰু সমৃদ্ধি কামনাৰে শুভেচ্ছা জ্ঞাপন কৰে।

ooooooooo

পেৰাগুৱেৰ ৰাষ্ট্ৰপতি ছান্টিয়াগো পেনা পালাচিঅ'ছে আজি পুৱা তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে ৰাষ্ট্ৰপতি পালাচিঅ'ছক সাক্ষাৎ কৰি বিভিন্ন ক্ষেত্ৰত ভাৰত-পেৰাগুৱেৰ সহযোগিতা বৃদ্ধিৰ বাবে তেওঁৰ ইতিবাচক চিন্তা আৰু নিৰ্দেশনাৰ শলাগ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে পেলাচিঅ'ছৰ আলোচনাই পাৰাগুৱে আৰু দক্ষিণ আমেৰিকা অঞ্চলৰ সৈতে ভাৰতৰ সংযোগৰ নতুন পথ মুকলি কৰিব বুলি ড° জয়শংকৰে আশা প্ৰকাশ কৰে।

আজি বিয়লি ৰাষ্ট্ৰপতি চেন্টিয়াগো পেনা পালাচিঅ'ছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সৈতে আলোচনাত মিলিত হ'ব, য'ত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ পৰিস্থিতি পৰ্যালোচনা কৰিব। তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰাৰ কথা।

ooooooooo

বিগত কেইবাদিনো হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত অসমৰ ১৯ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। ধেমাজি, শ্ৰীভূমি, গোৱালপাৰা, লখিমপুৰ,  নগাঁও, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া, শিৱসাগৰ, হোজাই, কামৰূপ, ডিব্ৰুগড়ৰ লগতে কাছাৰ জিলাৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। শেহতীয়া বানত ৰাজ্যৰ ৭৬৪ খন গাঁও পানীত বুৰ যোৱাৰ লগতে তিনি হাজাৰ ৫২৪ হেক্টৰ কৃষিভূমি পানীৰ তলত আছে। এই পৰ্যন্ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বান, ভূমিস্খলন আদিত ১২ জন লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত আজি পুনৰ গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা বন্ধ ৰখা হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ প্ৰায় বিপদসীমা স্পৰ্শ কৰাৰ উপক্ৰম হৈছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰীসেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা হৈছে। প্ৰশাসনে সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰক জনাবলৈ অনুৰোধ জনাইছে।

গোলাঘাট জিলা প্ৰশাসনেও শেহতীয়া প্ৰতিকূল প্ৰাকৃতিক পৰিস্থিতিৰ বাবে প্ৰশাসনৰ বিষয়াসকলক সাজু থকাৰ নিৰ্দেশ দিছে। তদুপৰি এই সময়খিনিত ৰাইজক সাৱধানতা অৱলম্বন কৰিবলৈ প্ৰশাসনে আহ্বান জনাইছে।

কাছাৰ জিলাত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বৰ্তমান জিলাখনত বৰষুণ হোৱা নাই যদিও বৰাক নদীৰ জলস্তৰ দুই চেণ্টিমিটাৰ পৰ্যান্ত বৃদ্ধি পাইছে। সম্প্ৰতি বৰাক নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাত জিলাখনৰ পৰিস্থিতি জটিল হৈ পৰিছে। শিলচৰত ইতিমধ্যে বানপীড়িতসকলৰ বাবে ১৫ টা আশ্ৰয় শিবিৰ মুকলি কৰি হৈছে। জিলা প্ৰশাসনে প্ৰকাশ কৰা মতে বানৰ বাবে ১৫৪ টা ট্ৰেন্সফৰ্মাৰ বিকল হৈ পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈছে।

ইপিনে, প্ৰতিকূল বতৰৰ বাবে কাৰ্বি আংলং জিলা প্ৰশাসনে জিলাখনৰ জনসাধাৰণক সম্প্ৰতি বনভোজস্থলী, পৰ্যটন স্থান, জলপ্ৰপাতসমূহ ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে। প্ৰশাসনৰ তথ্য অনুসৰি বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত জিলাখনৰ মাজেৰে বৈ যোৱা নদীসমূহে বিপদসীমা অতিক্ৰম কৰিছে।

শিৱসাগৰৰ কোঁৱৰপুৰ মৌজাৰ মামল গড়ভঙাত ব্ৰহ্মপুত্ৰৰ এখন শ্লুইছ গে'ট পানীয়ে ভাঙি নিয়াত কোঁৱৰপুৰৰ জনবসতিপূৰ্ণ এলেকাৰ ক্ষতি হৈছে।

অসমত বান আৰু ভূমিস্খলনে জটিল ৰূপ ধাৰণ কৰাৰ সময়ত গৃহমন্ত্ৰী অমিত শ্বাহে কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰি ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰা বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও গৃহমন্ত্ৰীগৰাকীক অৱগত কৰা বুলি সদৰি কৰিছে।

০০০০০০০০০

ছিকিম চৰকাৰে ৫ বছৰৰ বিৰতিৰ অন্তত ভগৱান শিৱৰ পবিত্ৰ তীৰ্থস্থান কৈলাশ মানসৰোবৰ যাত্ৰাৰ আয়োজন কৰিবলৈ সাজু হৈছে। ছিকিম চৰকাৰৰ পৰ্যটন আৰু অসামৰিক বিমান পৰিবহণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব চি এছ ৰাওৱে জনাইছে যে অহা ১৫ জুনত গেংটকত প্ৰথমটো তীৰ্থযাত্ৰীৰ দল উপস্থিত হোৱাৰ লগে লগেই এই যাত্ৰাৰ আৰম্ভ হ'ব। এই যাত্ৰা সম্পূৰ্ণ হ'বলৈ প্ৰায় ২০-২১ দিন সময় লাগিব বুলি আশা কৰা হৈছে। কৈলাস মানসৰোবৰ যাত্ৰাৰ বাবে যাত্ৰীসকলে ১১ জুনত নতুন দিল্লীত প্ৰতিবেদন দাখিল কৰাৰ লগতে যাত্ৰা আৰম্ভ কৰাৰ পূৰ্বে উপযুক্ত স্বাস্থ্য পৰীক্ষা আৰু আৱশ্যকীয় অনুজ্ঞাপত্ৰ ল'ব লাগিব। এই যাত্ৰা ১০টা গোটত কৰোৱা হ'ব আৰু প্ৰতিটো গোটত ৪৮জনকৈ তীৰ্থযাত্ৰী থাকিব। তেওঁলোকৰ সৈতে দুগৰাকী জনসম্পৰ্কৰক্ষী বিষয়া, ৰান্ধনী আৰু সহায় কৰ্মীও থাকিব। ছিকিম চৰকাৰে যাত্ৰীসকলৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। ছিকিম চৰকাৰে যাত্ৰা পথৰ বিভিন্ন স্থানত আৱাস, খাদ্য, চিকিৎসা সেৱা আৰু জৰুৰীকালীন ব্যৱস্থাসমূহ গ্ৰহণ কৰিব। কৈলাস মানসৰোবৰ যাত্ৰা এক দুঃসাহসিক যাত্ৰা য'ত সাৱধানতামূলক আঁচনি আৰু ব্যৱস্থাৰ প্ৰয়োজন হয়। শ্ৰীৰাওৱে কয়, যে ছিকিমৰ বিশেষ ভৌগোলিক অৱস্থিতি আৰু জলবায়ু কৈলাশ মানসৰোবৰ যাত্ৰাৰ বাবে উপযুক্ত বুলি কোৱা হয়।

০০০০০

মুম্বাইত আৰক্ষীয়ে ভুৱা তথ্য-পাতিৰে উপ-সাগৰীয় দেশসমূহলৈ অবৈধভাৱে যাত্ৰা কৰিব বিচৰা ৪ গৰাকী নেপালী যুৱকক আটক কৰে। এই যুৱককেইজনে নেপালৰ পৰা বিহাৰৰ দিশেৰে ভাৰতত প্ৰৱেশ কৰিছিল। প্ৰতিজন যুৱকে ভুৱা তথ্য-পাতি যোগাৰ কৰি দিয়াৰ বাবে এজেণ্টক ২ লাখ ৫০ হাজাৰকৈ নেপালী টকা জমা দিছিল। এই সংক্ৰান্তত আৰক্ষীয়ে যোৱা ৩০ মে'ত এটা গোচৰ ৰুজু কৰিছিল। এই একে ধৰণে বিদেশলৈ যাব খোজা ছগৰাকী নেপালী যুৱকক যোৱা সপ্তাহত আটক কৰা হৈছিল।

০০০০০০০০০

জম্মু-কাশ্মীৰত সাংস্কৃতিক আৰু সামূহিক শৃংখলাৰ এটা অনুষ্ঠান আজিৰ পৰা আৰম্ভ হৈছে। জম্মু-কাশ্মীৰৰ পৰ্যটন বিভাগে আয়োজন কৰা এই উৎসৱ সতৰ্ৰীত ডোগ্ৰী খাদ্য মহোৎসৱেৰে আৰম্ভ হ'ব। এই অনুষ্ঠানত ডোগ্ৰী খাদ্যগ্ৰাম, পৰম্পৰাগত মাটিৰ বাচন-বৰ্তন, পোনপটীয়া সাংস্কৃতিক প্ৰদৰ্শন, মেহেন্দি কলাৰ লগতে উটৰ দৌৰ প্ৰতিযোগিতাও থাকিব। ইয়াৰোপৰি আজি পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত নিহত শ্বহীদসকলৰ সোঁৱৰণত কাট্ৰাত এটা অনুষ্ঠানৰ আয়োজন কৰা হ'ব। কাইলৈ পাট্নিটকত সু-স্বাস্থ্যৰ বাবে বিশ্ব চাইকেল দিৱসৰ আয়োজন কৰা হ'ব। ৪ জুনত ভদ্ৰৱাহতস্থানীয় শিল্পীসকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। অহা ৫ জুনত বিশ্ব পৰিৱেশ দিৱস উদযাপনেৰে এই সাংস্কৃতিক উৎসৱৰ সামৰণি পৰিব। পৰ্যটন মন্ত্ৰালয়ে এই ব্যতিক্ৰমী সাংস্কৃতিক উৎসৱ উপভোগ কৰিবলৈ পৰ্যটকসকলক জম্মু-কাশ্মীৰলৈ আমন্ত্ৰণ জনাইছে।

০০০০০০০০০

চতুৰ্থ থাইলেণ্ড অ'পেন আন্তঃৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাত দীপক আৰু নমন তনৱাৰে কালি ভাৰতৰ অভিযানৰ নেতৃত্ব দি দুটা সোণৰ পদক লাভ কৰে। ৭৫ কেজিৰ ফাইনেলত উজবেকিস্তানৰ আব্দুৰাখিমভ জাভোখিৰৰ বিৰুদ্ধে ৫-০ খেলত জয়লাভ কৰি দীপকে সোণৰ পদক অৰ্জন কৰে। নমন তনৱাৰে ৯০ কেজি শাখাত চীনৰ হান জুয়েজেনক ৪ মিনিট ১ ছেকেণ্ডৰ ব্যৱধানতে পোনপটীয়াকৈ জয়লাভ কৰি সোণৰ পদক লাভ কৰে। মহিলাৰ ৮০ কিলোগ্ৰামতকৈ অধিক শাখাৰ ফাইনেলত ভাৰতৰ প্ৰতিযোগী কিৰণে কাজাখস্তানৰ য়েল্ডানা টালিপোভাৰ হাতত ২ - ৩ খেলৰ ব্যৱধানত পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰে। প্ৰতিযোগিতাত ভাৰতৰ পাঁচগৰাকী মহিলা বক্সাৰ - ৫১ কেজি শাখাত তামান্না, ৫৭ কেজি শাখাত প্ৰিয়া, ৬০ কেজি শাখাত সঞ্জু, ৭০ কেজি শাখাত ছানেহ আৰু ৮০ কেজি শাখাত লালফকময়ি ৰালটেই শক্তিশালী প্ৰদৰ্শন আগবঢ়াই ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছে বান্ধি দিয়া ২০৪ ৰানৰ বিজয় লক্ষ্য পাঞ্জাব কিংছে এটা অভাৰ বাকী থকা অৱস্থাত সহজে অতিক্ৰম কৰে।

এই জয়ৰ সুবাদত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত